**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-02-2026 **Time :** 1910 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ প্ৰদৰ্শনী ২০২৬ মুকলি কৰিব।

২। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে জাৰ্মানীত মিউনিখ নিৰাপত্তা সন্মিলনৰ অধ্যক্ষৰ সৈতে মত বিনিময় কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে মঙলবাৰে বেংগালুৰুত ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী কেথৰিন ৱাউটৰিনৰ সৈতে ষষ্ঠ ভাৰত-ফ্ৰান্স বাৰ্ষিক প্ৰতিৰক্ষা আলোচনাত সহ অধ্যক্ষতা কৰিব।

৪। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোত আজি ভাৰত-পাকিস্তানৰ মুখামুখি হৈছে। *আৰু*

৫। ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ছিডনীত অনুষ্ঠিত তিনিখনীয়া মহিলা টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ৯ উইকেটত পৰাস্ত কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত ভাৰত কৃত্ৰিম বুদ্ধিমত্তা প্ৰভাৱ প্ৰদৰ্শনী ২০২৬ মুকলি কৰিব। ভাৰত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ শীৰ্ষ সন্মিলনৰ সমান্তৰালকৈ আয়োজন কৰা পাঁচদিনীয়া এই প্ৰদৰ্শনীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰিক প্ৰয়োগৰ নিদৰ্শন দাঙি ধৰিব। এই প্ৰদৰ্শনীত অষ্ট্ৰেলিয়া, জাপান, ৰাছিয়া, ব্ৰিটেইন, জাৰ্মানী, ইটালি, নেদাৰলেণ্ড, ছুইজাৰলেণ্ড, ছাৰ্বিয়া, এষ্টনিয়া, তাজিকিস্তানকে ধৰি ১৩ দেশৰ বিথীকা থাকিব যাৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তা পৰিস্থিতি তন্ত্ৰত আন্তঃৰাষ্ট্ৰীয় সহযোগিতাৰ দিশটো প্ৰতিফলিত হ'ব। এই প্ৰদৰ্শনীত ৩০০ৰো অধিক নিৰ্বাচিত বিথীকাৰ লগতে পোনপটীয়া প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে যিবোৰক মানুহ, পৃথিৱী আৰু প্ৰগতি এই তিনিটা বিষয়ভিত্তিক চক্ৰত ভাগ কৰা হৈছে। ইয়াত ৬০০ৰো অধিক উচ্চ সম্ভাৱনাপূৰ্ণ ষ্টাৰ আপে অংশগ্ৰহণ কৰিব যিবোৰে বিশ্বজুৰি প্ৰাসংগিক আৰু জনসাধাৰণৰ প্ৰয়োজনীয়  বিভিন্ন সমাধান বিকশাই তুলিছে। এই অনুষ্ঠানত ৫০০ৰো অধিক অধিৱেশনৰ আয়োজন কৰা হৈছে য'ত বিভিন্ন ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ পৰিৱৰ্তনকামী প্ৰভাৱ আৰু ভৱিষ্যৎ কাৰ্যপন্থাসম্পৰ্কে আলোচনা কৰা হ'ব যাতে বিশ্বৰ প্ৰতিগৰাকী নাগৰিক ইয়াৰ দ্বাৰা উপকৃত হয়।  এই প্ৰদৰ্শনীত আন্তঃৰাষ্ট্ৰীয় প্ৰতিনিধিকে ধৰি আঢ়ৈ লাখৰো অধিক লোকৰ সমাগম হ'ব বুলি আশা কৰা হৈছে। বিশ্বব্যাপী গঢ়ি উঠা কৃত্ৰিম বুদ্ধিমত্তা পৰিস্থিতি তন্ত্ৰত নতুন অংশীদাৰীত্ব বৃদ্ধি কৰাৰ লগতে ব্যৱসায়িক সুযোগ সৃষ্টি কৰাই এই প্ৰদৰ্শনীৰ মূল লক্ষ্য। স্বাস্থ্যসেৱা, কৃষি আৰু প্ৰশাসনৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰত  জন কল্যাণমূলক সমাধানৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰয়োগত গুৰুত্ব আৰোপ কৰি এই শীৰ্ষ সন্মিলনৰ আয়োজন কৰা হৈছে।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে আজি জাৰ্মানীত মিউনিখ নিৰাপত্তা সন্মিলনৰ অধ্যক্ষ ওল্ফগ্যাং ইস্‌চিংগাৰৰ সৈতে মত বিনিময় কৰে। সামাজিক মাধ্যমৰ জৰিয়তে দিয়া এটা বাৰ্তাত ড° জয়শংকৰে কয় যে ২০২৬ চনৰ মিউনিখ নিৰাপত্তা সন্মিলনৰ জৰিয়তে মতামত উপস্থাপন আৰু দৃষ্টিভংগী বিনিময়ৰ এক সুযোগ সুযোগ প্ৰদান কৰা হৈছে। ড° জয়শংকৰে সন্মিলনত অংশগ্ৰহণ কৰাৰ সুযোগতে ৰোমানীয়াৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰী অ'আনা-চিলভিয়া ট'যুক সাক্ষাৎ কৰে। দুয়োগৰাকী মন্ত্ৰীয়ে ভাৰত-ৰোমানিয়া দ্বিপাক্ষিক সম্পৰ্কৰ পৰ্যালোচনা কৰাৰ লগতে এই দিশৰ সম্ভাৱনা অধিক ফলপ্ৰসূৰূপে ব্যৱহাৰ কৰাৰ পোষকতা কৰে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে বুন্দেষ্টেগত খ্ৰীষ্টিয়ান ডেম'ক্ৰেটিক ইউনিয়নৰ নেতা জেনছ স্পান তথা তেওঁৰ দলটোৰ সৈতেও এখন বৈঠকত মিলিত হয়। তেওঁ ভাৰত-জাৰ্মানীৰ সম্পৰ্ক গভীৰ কৰাৰ ক্ষেত্ৰত তেওঁলোকৰ সমৰ্থনৰ শলাগ লোৱাৰ লগতে সমসাময়িক আন্তৰ্জাতিক বিকাশ সন্দৰ্ভতো মত বিনিময় কৰে। ড° জয়শংকৰে এ পি এম টাৰ্মিনেলৰ মুখ্য কাৰ্যবাহী বিষয়া কেইথ শ্বেগুচেনকো সাক্ষাৎ কৰে। তেওঁ ভাৰতৰ সৈতে সামুদ্ৰিক আন্তঃগাঁথনি তথা আনুসংগিক কাৰ্যকলাপসমূহ ত্বৰান্বিত কৰাৰ বাবে শ্ৰী শ্বেগুচেনৰ সংকল্পক প্ৰশংসা কৰে।

ooooo

সমগ্ৰ দেশতে আজি পৰম্পৰাগত ৰীতিনীতি আৰু উৎসাহ উদ্দীপনাৰে মহাশিৱৰাত্ৰী উদযাপন কৰা হৈছে। এই উপলক্ষে দেশৰ ভিন ভিন ৰাজ্যত দেৱাদিদেৱ মহাদেৱৰ পূজা অৰ্চনা আয়োজন কৰা হৈছে। অসমতো মহাশিৱৰাত্ৰী উপলক্ষে ৰাজ্যৰ ঐতিহ্যপূৰ্ণ শিৱ মন্দিৰকে ধৰি বিভিন্ন স্থানত মহাদেৱৰ আৰাধনা কৰা হৈছে। শিৱসাগৰৰ ঐতিহাসিক শিৱ দৌল, তেজপুৰৰ মহাভৈৰৱ মন্দিৰ, নেঘেৰিটিঙৰ শিৱ মন্দিৰকে ধৰি বিভিন্ন স্থানত পূজা অৰ্চনা কৰা হৈছে।

গুজৰাটটো সোমনাথ মহাদেৱ মন্দিৰৰ লগতে বিভিন্ন শিৱ মন্দিৰত শিৱ পূজাৰ আয়োজন কৰা হৈছে। নেপালৰ কাঠমাণ্ডুৰ পশুপতি নাথ মন্দিৰত মহাশিৱৰাত্ৰী উপলক্ষে অসংখ্য ভক্তৰ সমাগম ঘটিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সমাজ সংস্কাৰক সন্ত সেৱালাল মহাৰাজৰ আজি জন্মবাৰ্ষিকী উপলক্ষে তেওঁলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে সন্ত সেৱালাল মহাৰাজে সমাজত নতুন সজাগতা গঢ়ি তোলাৰ উদ্দেশ্যে সত্য, অহিংসাকে ধৰি উচ্চ প্ৰমূল্যৰ বাৰ্তা বিয়পাইছিল বুলি প্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে সন্ত সেৱালাল মহাৰাজৰ জীৱনে সমগ্ৰ দেশৰ জনসাধাৰণক অনুপ্ৰেৰণা যোগাই আহিছে।

ooooo

এই বছৰৰ কেন্দ্ৰীয় বাজেটে ভাৰতৰ উন্নত ৰাষ্ট্ৰ হোৱাৰ আকাংক্ষাক প্ৰতিফলিত কৰা বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। এটা সংবাদ সংস্থাৰ সৈতে হোৱা সাক্ষাৎকাৰত প্ৰধানমন্ত্ৰীয়ে কয় যে এই বাজেট বাধ্যবাধকতাৰ বাবে প্ৰস্তুত কৰা হোৱা

নাই ।  এইবেলি বাজেট প্ৰস্তুতি আৰু অনুপ্ৰেৰণাৰ জৰিয়তে প্ৰস্তুত কৰা হৈছে বুলি উল্লেখ কৰি তেওঁ কয় যে চৰকাৰ এয়া ৰূপায়ণৰ বাবে সাজু হৈ আছে। শেহতীয়া বাণিজ্যিক চুক্তি সন্দৰ্ভত প্ৰধানমন্ত্ৰীয়ে কয় যে ৰাজনৈতিক সুস্থিৰতা তথা ৰাজনৈতিক পূৰ্বানুমানযোগ্যতাই ভাৰতৰ ওপৰত বিনিয়োগকাৰীৰ আস্থা ওভতাই আনিছে।

00000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে পৰহিলৈ অৰ্থাৎ মঙলবাৰে বেংগালুৰুত ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰী কেথৰিন ৰাউটৰিনৰ সৈতে ষষ্ঠ ভাৰত-ফ্ৰান্স বাৰ্ষিক প্ৰতিৰক্ষা আলোচনাত সহ অধ্যক্ষতাত কৰিব।  এই বৈঠকত উদ্যোগিক সহযোগিতা বৃদ্ধিত গুৰুত্ব আৰোপ কৰি  দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ সকলো দিশৰ পৰ্যালোচনা কৰা হ'ব। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে এই বৈঠকৰ সময়ছোৱাত  এখন প্ৰতিৰক্ষা সহযোগিতা চুক্তি অহা দহ বছৰৰ বাবে নৱীকৰণ  কৰাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে হেমাৰ ক্ষেপণাস্ত্ৰ নিৰ্মাণ কৰিবলৈ যুটীয়া প্ৰচেষ্টাৰ বাবে এখন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ সম্ভাৱনা আছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মাক্ৰ'ই কৰ্ণাটকৰ ৱেমাগলত টাটা এয়াৰবাছৰ দ্বাৰা এইছ ১২৫ লাইট ইউটিলিটি হেলিকপ্তাৰৰ  চূড়ান্ত পৰ্যায়ৰ সংলগ্নকৰণৰ ভাৰ্চুৱেল ব্যৱস্থাৰে কৰিবলগীয়া উদ্বোধনত দুয়োগৰাকী মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ সম্ভাৱনা আছে। যোৱাবছৰৰ অক্টোবৰত ফ্ৰান্সৰ প্ৰতিৰক্ষা মন্ত্ৰীৰ পদবীত অধিস্থিত হোৱা কেথৰিন ৰাউটৰিনৰ এয়া প্ৰথমটো ভাৰত ভ্ৰমণ। ভাৰত-ফ্ৰান্স বাৰ্ষিক প্ৰতিৰক্ষা আলোচনা হৈছে উভয় দেশৰ মাজত প্ৰতিৰক্ষা আৰু নিৰাপত্তা সহযোগিতাৰ পথপ্ৰদৰ্শন আৰু পৰ্যালোচনাৰ বাবে মন্ত্ৰীপৰ্যায়ৰ দ্বিপাক্ষিক বৈঠক।

00000

ঢাকাৰ বিদায়ী আইন উপদেষ্টা আসিফ নজৰুলে  নৱ নিৰ্বাচিত সাংসদসকলৰ শপত গ্ৰহণ অনুষ্ঠান মঙলবাৰে দিনৰ দহ বজাত অনুষ্ঠিত হ 'ব বুলি প্ৰকাশ কৰিছে। এ. এম. এম নাছিৰ উদ্দীনে এই কাৰ্যসূচী পৰিচালনা কৰাৰ কথা।  সংসদীয় দলটোৱে পুৱাৰ ভাগতে দলীয় নেতা নিৰ্বাচন কৰিব বুলি আশা কৰা হৈছে।  ইয়াৰ পাছত চৰকাৰ গঠনৰ বাবে আনুষ্ঠানিকভাৱে দাবী জনোৱা হ'ব। তেওঁ লগতে কয় যে নতুন মন্ত্ৰীসভাই বিয়লি ৪ বজাত সংসদৰ চাউথ প্লাজাত শপত গ্ৰহণ কৰিব । অন্তৰ্বৰ্তীকালীন চৰকাৰে আজি দিনৰ ভাগতে বিদায়ী বৈঠক অনুষ্ঠিত কৰে বুলি সদৰি কৰি তেওঁ কয় যে এই বৈঠকত সদস্যসকলে অভিজ্ঞতা প্ৰকাশ কৰে ।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই পৰহিলৈ ঢাকাত  বাংলাদেশ জাতীয়তাবাদী দলৰ অধ্যক্ষ তাৰিক ৰহমানৰ নেতৃত্বত বাংলাদেশৰ নৱ নিৰ্বাচিত চৰকাৰৰ শপত গ্ৰহণ অনুষ্ঠানত ভাৰতক প্ৰতিনিধিত্ব কৰিব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে প্ৰকাশ কৰা এটা বিবৃতিত কোৱা হৈছে যে এই গুৰুত্বপূৰ্ণ অনুষ্ঠানত অধ্যক্ষগৰাকীৰ অংশগ্ৰহণে ভাৰত আৰু বাংলাদেশৰ জনসাধাৰণৰ মাজত গভীৰ আৰু স্থায়ী বন্ধুত্ব প্ৰতিফলিত কৰে।

মন্ত্ৰালয়ে প্ৰকাশ কৰিছে যে ইয়াৰ জৰিয়তে দুয়োখন দেশক একতাৰ ডোলেৰে বান্ধি ৰখা গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি ভাৰতৰ অটল দায়বদ্ধতা পুনৰ নিশ্চিত হৈছে। উমৈহতীয়া ইতিহাস, সংস্কৃতি আৰু পাৰস্পৰিক সন্মানৰ জৰিয়তে একতা বজাই ৰখা চুবুৰীয়া দেশ হিচাপে ভাৰতে তাৰিক ৰহমানৰ নেতৃত্বত বাংলাদেশৰ নিৰ্বাচিত চৰকাৰক আদৰণি জনাইছে।

০০০০০

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত কলম্বোৰ আৰ প্ৰেমাদাছা ষ্টেডিয়ামত ভাৰত পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। পাকিস্তানে টছত জিকি ভাৰতক প্ৰথমে বেট ধৰাৰ বাবে আমন্ত্ৰণ জনাইছে। এই বাতৰি লিখাৰ পৰলৈকে ভাৰতে ৩ অভাৰত ১টা উইকেট হেৰুৱাই ২৫ ৰান কৰি খেলি আছে।

ইয়াৰ পূৰ্বে আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত আমেৰিকা যুক্তৰাষ্ট্ৰই নামিবিয়াক ৩১ ৰাণত পৰাস্ত কৰে। আমেৰিকাই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৪ উইকেটৰ বিনিময়ত ১৯৯ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নামিবিয়াই নিৰ্ধাৰিত অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ছিডনীত আজি অনুষ্ঠিত তিনিখনীয়া মহিলা টি-টুৱেণ্টি আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে অষ্ট্ৰেলিয়াক ডাৰ্ক ৱৰ্থ লুইছ ষ্টাৰ্ণ পদ্ধতিৰ জৰিয়তে ৯ উইকেটত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি অষ্ট্ৰেলিয়াই ১৮ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৩ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰ ভাৰতে ৫ অভাৰ এটা বলত এটা উইকেট হেৰুৱাই ৫০ ৰান কৰি খেলি থকা অৱস্থাতে বৰষুণৰ বাবে খেলখন স্থগিত ৰাখিবলগীয়া হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত ডাৰ্ক ৱৰ্থ লুইছ ষ্টাৰ্ণ পদ্ধতিৰ সহায়ত ভাৰত বিজয়ী ঘোষণা কৰা হয়।

০০০০০

**সমাপ্ত**